NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-02-2025
**Time :** 1340 hrs

*Assamese MID Bulletin*
*Headlines*
*00000*

১। ৱাক্‌ফ সংশোধনী বিধেয়ক সন্দৰ্ভত যুটীয়া সমিতিৰ প্ৰতিবেদনক লৈ বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰখা হয়।

২। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেশ্যনেল ইণ্টেলিজেন্সৰ সঞ্চালক তুলসী গাববাৰ্ডে আজি ৱাশ্বিংটন ডিচিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনাত মিলিত হয়।

৩। আজি বিশ্ব ৰেডিঅ' দিৱস। এই দিৱস উপলক্ষে প্ৰচাৰ ভাৰতীৰ অধ্যক্ষকে ধৰি কেইবাগৰাকী বিষয়াই শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। এডভাণ্টেজ আছামৰ সৈতে সংগতিৰ ৰাখি অসম চৰকাৰে অহা ১৭ ফেব্ৰুৱাৰীত মহাকাশ আৰু ভূস্থানীয় প্ৰযুক্তিৰ বিষয়ত এখন অনলাইন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

*আৰু*

৫। উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত আজি পুৰুষ আৰু মহিলাৰ হকীৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০০

ৰৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ সন্দৰ্ভত যুটীয়া সমিতিয়ে দাখিল কৰা প্ৰতিবেদনক লৈ বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰখা হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে আৰু সমাজবাদী পাৰ্টীকে ধৰি বিৰোধী পক্ষৰ সদস্যসকলে বিষয়টোক লৈ হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। অধ্যক্ষ ওম বিৰলাই বিৰোধী পক্ষৰ সদস্যসকলক সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে যুটীয়া সমিতিৰ প্ৰতিবেদন দাখিল কৰাৰ পাছত সকলো সদস্যকে তেওঁলোকৰ বক্তব্য ৰখাৰ বাবে অনুমতি দিয়া হ'ব। শ্ৰীবিৰলাই কয় যে সদনৰ প্ৰশ্নকাল অতি গুৰুত্বপূৰ্ণ আৰু হুলস্থূলীয়া পৰিস্থিতিৰে এই সময়ছোৱাত সদনৰ কাম-কাজত ব্যাঘাত জন্মোৱা অনুচিত। ইয়াৰ পাছতো একে পৰিস্থিতি বাহাল থকাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ঘোষণা কৰে।

ইপিনে, ৰাজ্যসভাত আজি হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে ৱাক্‌ফ সংশোধনী বিধেয়ক সন্দৰ্ভত যুটীয়া সমিতিৰ তথ্য দাখিল কৰা হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত বিজেপিৰ সাংসদ ড০ মেধা বিশ্ৰম কুলকৰ্ণীয়ে উচ্চ সদনত যুটীয়া সমিতিৰ প্ৰতিবেদনৰ প্ৰতিলিপি দাখিল কৰে। ইয়াৰ পাছতেই বিৰোধী পক্ষৰ সদস্যসকলে শ্লোগান দিবলৈ আৰম্ভ কৰাত সভাপতি জগদীপ ধনখড়ে তেওঁলোকক সদনৰ কাম-কাজ চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনায় যদিও সকলো অথলে যায়। পাছত তেওঁ উচ্চ সদনৰ কাম-কাজ ১১ বাজি ২০ মিনিটলৈ স্থগিত ৰাখে।

ইয়াৰ পাছত সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই যুটীয়া সমিতিৰ বৈঠকত বিৰোধী সদস্যসকলে আগবঢ়োৱা মতামতক এই প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰা নহ'ল বুলি অভিযোগ কৰে। তেওঁ এই বিষয়টোক গণতন্ত্ৰ বিৰোধী বুলি উল্লেখ কৰি কয় যে এই প্ৰতিবেদনত যদিহে কোনো ধৰণৰ মাৰ্জিত দৃষ্টিভংগী নাই তেনেহ'লে ইয়াক পুনৰ সমিতিৰ পৰ্যালোচনাৰ বাবে ওভতাই পঠোৱা উচিত। কংগ্ৰেছৰ সাংসদ নাছিৰ হুছেইনেও একেই অভিযোগ

কৰে। এই বিষয়টোৰ প্ৰতি সঁহাৰি জনাই সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে প্ৰতিবেদনত থকা কোনো এটা অংশই আঁতৰাই দিয়া নহয়। তেওঁ বিৰোধী পক্ষই সদনত বিষয়টো লৈ ভুল পথে পৰিচালিত কৰিছে বুলি অভিযোগ কৰি কয় যে সংসদীয় সমিতিয়ে নিয়ম অনুসৰি সমগ্ৰ বিষয়টো পৰিচালনা কৰিছে। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনেও একে ধৰণৰ মন্তব্য কৰি বিৰোধী পক্ষক ইয়াৰ বাবে সমালোচনা কৰে। উচ্চ সদনৰ নেতা জে পি নাড্ডাই বিৰোধী পক্ষৰ সদস্যসকলে ৰাজ্যসভাৰ সভাপতিয়ে বাৰে বাৰে সদনৰ কাম-কাজ চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনোৱাৰ পাছতো হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাৰ বাবে অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ বিৰোধী পক্ষক তেওঁলোকৰ দায়িত্বহীনতাৰ বাবে কঠোৰ ভাষাৰে সমালোচনা কৰে। শাসকীয় পক্ষৰ প্ৰত্যুত্তৰত অসন্তুষ্টি ব্যক্ত কৰি বিৰোধী পক্ষৰ সদস্যসকলে নিজৰ স্থান পৰিত্যাগ কৰে। পাছত শ্ৰীনাড্ডাই এই বিষয়টোক লৈ বিৰোধী পক্ষৰ দৃষ্টিভংগী সন্দৰ্ভত প্ৰশ্ন কৰে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেশ্যনেল ইণ্টেলিজেন্সৰ সঞ্চালক তুলসী গাববাৰ্ডে আজি ৱাশ্বিংটন ডিচিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনা কালত দ্বিপাক্ষিক ইণ্টালিজেন্স সহযোগিতা বৃদ্ধি বিশেষকৈ, সন্ত্ৰাসবাদ বিৰোধী কাৰ্যকলাপ, চাইবাৰ সুৰক্ষা আদিৰ লগতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিকাশৰ ক্ষেত্ৰত পাৰস্পৰিক স্বাৰ্থ সম্বলিত বিষয়ত আলোচনা কৰা হয়।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফ্ৰান্সৰ সফল ভ্ৰমণ সামৰি আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটনত উপস্থিত হয়। আমেৰিকাত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় মোহন কোৱাট্ৰা আৰু অন্য বিষয়াসকলে প্ৰধানমন্ত্ৰীক বিমান বন্দৰত বিপুলভাৱে আদৰণি জনায়। প্ৰচণ্ড শীতকো নেওচি দেশখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলেও ব্লেয়াৰ হাউচৰ বাহিৰত শ্ৰীমোদীক আদৰণি জনায়। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ডোনাল্ড ট্ৰাম্পে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা পাছত দেশখনলৈ যোৱা প্ৰধান বিশ্বনেতাসকলৰ ভিতৰত শ্ৰীমোদী অন্যতম। আমেৰিকা ভ্ৰমণলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয় কয়, যে সহযোগিতা বৃদ্ধি আৰু উভয় দেশৰ মাজৰ অংশীদাৰিত্ব সুদৃঢ় কৰি তোলাৰ বাবে তেওঁৰ প্ৰথম কাৰ্যকালত গ্ৰহণ কৰা কাৰ্যসূচী অনুসৰি এই যাত্ৰা ৰূপায়ণ কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে পেৰিছত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ৰ সৈতে অনুষ্ঠিত দ্বিপাক্ষিক আলোচনাৰ সময়ত ভাৰত আৰু  ফ্ৰান্সৰ মাজত কৌশলগত সহযোগিতাৰ প্ৰতি দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে।

ooooo

আজি বিশ্ব ৰেডিঅ' দিৱস। জনসাধাৰণৰ মাজত ৰেডিঅ'ৰ বিষয়ে সজাগতা সৃষ্টি আৰু ইয়াৰ মাধ্যমৰে তথ্য আহৰণ কৰিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ১৩ ফেব্ৰুৱাৰীত বিশ্ব ৰেডিঅ' দিৱস পালন কৰা হয়। এই দিনটো বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণৰ জীৱন স্পৰ্শ কৰা আৰু এক গোট কৰা ৰেডিঅ' অনন্য শক্তিৰ কথা স্মৰণ কৰাৰ এটা উপলক্ষ্য। এই বিশ্ব ৰেডিঅ' দিৱসৰ মূল বিষয়বস্তু হৈছে ঃ **ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন**।

ৰেডিঅ' দিৱস উপলক্ষে ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংস্থা- ইউনস্কোৰ সঞ্চালকপ্ৰধান উদ্‌ঘে আজুলেই কয় যে বিশ্ব ৰেডিঅ' দিৱস যোগাযোগৰ এই স্থায়ী, বহুমুখী আৰু সহজে উপলভ্য মাধ্যমৰ উদযাপনৰ দিন। বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত কুমাৰ ছেহগলে কয়, যে বাতৰি আৰু তথ্যৰ প্ৰচাৰেৰে ৰেডিঅ'ই দেশৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক উন্নয়নত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ কয়, যে বিশ্ব সৰ্ববৃহৎ ৰেডিঅ' নেটৱৰ্ক আকাশবাণীয়ে বহুজন হিতায়, বহুজন সুখায় মন্ত্ৰৰে দেশৰ জনসাধাৰণক সামৰি লৈছে। প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে কৈছে যে আকাশবাণীয়ে দেশৰ চহকী সংস্কৃতি আৰু পৰম্পৰাৰ বাহক হিচাপে কাম কৰি অহাৰ লগতে জনসাধাৰণক দেশৰ বৈজ্ঞানিক প্ৰগতিৰ যাত্ৰাৰ সৈতে সংযুক্ত কৰিছে। তেওঁ কয়, যে দৈনন্দিন জীৱনৰ এনে কোনো দিশ নাই যিটো আকাশবাণীয়ে সামৰি লোৱা নাই। আকাশবাণীৰ সঞ্চালক প্ৰধান ড° প্ৰজ্ঞা পালিৱাল গৌৰে বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে প্ৰায় ৯ দশক ধৰি আকাশবাণীয়ে শ্ৰোতাসকলক তথ্য, শিক্ষা আৰু মনোৰঞ্জন প্ৰদান কৰি আহিছে।

00000

কেন্দ্ৰীয় চৰকাৰে অনাগত দিনত কেইবাখনো ৰাষ্ট্ৰীয় পেন্সন আঁচনি ৰূপায়ণ কৰাৰ পৰিকল্পনা কৰিছে। ৰাজ্যসভাত আজি এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই কয় যে জনসাধাৰণৰ বাবে বিশেষকৈ অসংগঠিত খণ্ডৰ লোকসকলৰ বাবে চৰকাৰে অটল পেন্সন যোজনা, পি এম শ্ৰমিক মন্থন, পি এম শ্ৰমযোগী মন্থন আদিকে ধৰি ভালেমান পেন্সন আঁচনি ৰূপায়ণ কৰিছে। এই আঁচনিসমূহৰ জৰিয়তে প্ৰায় ৬ কোটি লোক উপকৃত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে এই সকলো আঁচনিৰ অধীনত ৬০ বছৰ বয়স হোৱাৰ পাছত প্ৰতিগৰাকী হিতাধিকাৰীক প্ৰতি মাহে ৩ হাজাৰৰ পৰা ৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

00000

এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতিৰ ৰাখি অসম চৰকাৰে অহা ১৭ ফেব্ৰুৱাৰীৰ দিনৰ চাৰে ১১ বজাত মহাকাশ আৰু ভূস্থানীয় প্ৰযুক্তিৰ বিষয়ত এখন অনলাইন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উদ্ভাৱক, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু উদ্যোগীসকলক আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে ইতিমধ্যে যোৱা ১০ ফেব্ৰুৱাৰীত অনলাইন পঞ্জীয়ন আৰম্ভ হৈছে আৰু ১৬ ফেব্ৰুৱাৰী পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে এই অনলাইন কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ www.advantageassam.assam.gov.in ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত বিজয়ী প্ৰথম তিনিগৰাকী প্ৰতিযোগীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। তদুপৰি নিৰ্বাচিত ১০০গৰাকী প্ৰতিযোগীয়ে এডভাণ্টেজ আছামৰ ভূ-স্থানিক সত্ৰত অংশগ্ৰহণৰ বাবে অহা-যোৱা আৰু থকাৰ সুবিধা লাভ কৰিব।

00000

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত আজি পুৰুষ আৰু মহিলাৰ হকীৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। মহিলাৰ হকীত মধ্য প্ৰদেশে হাৰিয়ানাৰ বিৰুদ্ধে আৰু পুৰুষৰ হকীত মহাৰাষ্ট্ৰই উত্তৰ প্ৰদেশৰ বিৰুদ্ধে খেলিব। উধম সিং নগৰৰ সাকাৰপুৰ ক্ৰীড়া ষ্টেডিয়ামত আজি পুৰুষৰ মালখম্বৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

কালি পুৰুষৰ জেভলিন থ্ৰ'ত উত্তৰ প্ৰদেশৰ শচীন যাদৱে ৮৪ দশমিক ৩-৯ মিটাৰলৈ যাঠী দলিয়াই ১০ বছৰীয়া অভিলেখ ভংগ কৰি স্বৰ্ণ পদক হস্তগত কৰে। গুজৰাটৰ কোছাম্বিয়াই এৰ'বিক জিম্নাষ্টিকছত সোণৰ পদক অৰ্জন কৰে। একেদৰে উত্তৰাখণ্ডৰ অংকিতা ধ্যানীয়ে সুন্দৰ প্ৰদৰ্শনৰ ধাৰা অব্যাহত ৰাখি কালি মহিলাৰ ৫০০০ মিটাৰ দৌৰত সোণৰ পদক অৰ্জন কৰে।

ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত ছাৰ্ভিচেছ স্পোৰ্টছ কণ্ট্ৰোল বোৰ্ডে ৬৫টা সোণৰ পদকেৰে প্ৰথম স্থানত থকাৰ লগতে মহাৰাষ্ট্ৰই ৫০টা আৰু হাৰিয়ানাই ৩৯টা সোণৰ পদকেৰে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থানত আছে।

00000

**সমাপ্ত**